**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 2-04-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::**

## HEADLINES

১। ৰাজ্যত ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি ৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

২। অহা ১৯ এপ্ৰিলত ৰাজ্যখনৰ ৫টা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অব্যাহত।

৩। নিৰ্বাচন আয়োগৰ ওদালগুৰি জিলাৰ আয়ুক্তক বদলিৰ নিৰ্দেশ।

৪। সমাগত লোকসভা নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আয়োজন কৰা শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ ফলাফল ঘোষণা।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি  ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি।

ooooo

ৰাজ্যত ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াকে লৈ এই পৰ্যায়ত এতিয়ালৈকে এঘাৰগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

ডিফু সমষ্টিৰ বাবে আজি বিজেপি প্ৰাৰ্থী অমৰ সিং তিছোৱে মনোনয়ন দাখিল কৰে। প্ৰাৰ্থীগৰাকীয়ে কাৰ্বি আংলং নিৰ্বাচনী জিলাৰ ৰিটাৰ্ণিং বিষয়াৰ হাতত মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

নগাঁও সংসদীয় সমষ্টিত এতিয়ালৈকে তিনিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জিলা আয়ুক্ত তথা নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়াৰ কাৰ্যালয়ত কালি বিয়লি অসম জন মৰ্চাৰ প্ৰাৰ্থী ছাইফুল ইছলাম চৌধুৰীয়ে মনোনয়ন দাখিল কৰিছিল। আজি দুগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। এই সমষ্টিটোৰ পৰা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাই ৪ এপ্ৰিলত মনোনয়ন দাখিল কৰিব। নগাঁৱত কংগ্ৰেছ দলৰ প্ৰাৰ্থীয়ে এতিয়ালৈ মনোনয়ন দাখিল কৰা নাই।

কালি শিলচৰ সমষ্টিত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ পাছত পুনৰ আজি তিনিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। সমষ্টিটোত কাইলৈ বিজেপি প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই মনোনয়ন দাখিল কৰিব।

করিমগঞ্জতো আজি এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছাহাবুল ইছলাম চৌধুৰীৰ লগতে আন এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মল্লাই কাইলৈ মনোনয়ন দাখিল কৰিব।

দৰং-ওদালগুৰি সমষ্টিত আজি এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াই পৰহিলৈ অৰ্থাৎ ৪ এপ্ৰিলত মনোনয়ন দাখিল কৰিব।

উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ৪ এপ্ৰিল ধাৰ্য্য কৰা হৈছে। অহা ৫ এপ্ৰিলত মনোনয়ন পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

ooooo

অহা ১৯ এপ্ৰিলত ৰাজ্যখনৰ ৫টা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাজিৰঙা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ গোলাঘাট জিলাৰ বৰপথাৰত **বিজয় সংকল্প যাত্ৰা**ত অংশ লয়। এই সভাত বিধায়ক বিশ্বজিৎ ফুকন, সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱেও অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে আজি দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত নিৰ্বাচন হ'বলগীয়া ডিফু সমষ্টিৰ বিজেপি প্ৰাৰ্থী অমৰ সিং তিছোৰ হৈ ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এখন প্ৰচাৰ সভাত অংশ লয়। তেওঁ নিজৰ ভাষণত বিৰোধী দলক সমালোচনা কৰি বিজেপি প্ৰাৰ্থীগৰাকীক জয়ী কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

কাৰ্বি আংলং জিলাৰ ডিফু সমষ্টিত নিৰ্বাচনী তৎপৰতা সন্দৰ্ভত আমাৰ ডিফুৰ সংবাদদাতা কাংবুৰা চিংনাৰে এইদৰে কয়-

**ভইচ**

ইপিনে, চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত আজি যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে প্ৰচাৰ চলায়। তেওঁ জজোলী পাঁচআলি, কচুমাৰী আৰু ডবাতিনিআলি প্ৰেক্ষাগৃহত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাকেইখনত ভালেসংখ্যক লোকে বিজেপিত যোগ দিয়ে। আটাইকেইখন সভাতে ৰাজ্যৰ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে। বিত্তমন্ত্ৰী অজন্তা নেওগে আজি তপন কুমাৰ গগৈৰ হৈ মৰিয়নী সমষ্টিৰ চিন্তামণি গাঁও পঞ্চায়তত প্ৰচাৰ চলায়।

তৃতীয় পৰ্যায়ত ৭ মে'ত হ'বলগীয়া নিৰ্বাচনত বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী, অসম গণ পৰিষদৰ নেতা ফণীভূষণ চৌধুৰীয়ে আজি বৰপেটা আৰু পাকা বেতবাৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়।

একেদৰে তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া কোকৰাঝাৰ লোকসভা সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত আজি চিৰাং জিলাৰ বিজনীত মটৰ চাইকেল সমদল উলিওৱা হয়। বাক্সা জিলাৰ শালবাৰীত আজি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই কোকৰাঝাৰ সমষ্টিৰ ইউ পি পি এল প্ৰাৰ্থী বসুমতাৰীৰ হৈ মটৰ চাইকেল সমদলত অংশ লয়।

ইপিনে, যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে প্ৰচাৰ অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে আজি পুৰাৰ ভাগত শিৱসাগৰৰ জয়সাগৰত থকা প্ৰবীণ ক্ৰীড়াবিদ অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ সৈতে সৌজন্যমূলক মত-বিনিময় কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তত এ আই ইউ ডি এফ, আম আদমী পাৰ্টি, তৃণমূল

কংগ্ৰেছ, চিপিআই (এম)কে ধৰি ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে।

ooooo

নিৰ্বাচন আয়োগে আজি ওদালগুৰি জিলাৰ আয়ুক্তক বদলিৰ নিৰ্দেশ দিছে। নিৰ্বাচন আয়োগে জিলা আয়ুক্তগৰাকীক সোনকালে জিলাখনৰ তেওঁৰ পৰৱৰ্তী জ্যেষ্ঠ বিষয়াগৰাকীক দায়িত্ব অৰ্পণ কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, জিলাখনত ভি ভি পেট মেছিনৰ পৰীক্ষণৰ সময়ত এটা মেছিনৰ সন্ধান লাভ নকৰাৰ সন্দৰ্ভত মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে অনুসন্ধান কৰি দেশৰ নিৰ্বাচন আয়োগলৈ প্ৰতিবেদন প্ৰেৰণ কৰিছিল। ইয়াৰ পাছতে আয়োগে এই নিৰ্দেশ জাৰি কৰে।

আয়োগে দেশৰ আন ৪ খন ৰাজ্যৰ ৮ খন জিলাৰ দণ্ডাধীশ আৰু ১২ গৰাকী আৰক্ষী অধীক্ষকক বদলিৰ নিৰ্দেশ দিছে।

ooooo

ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানে ক্ৰমাৎ ব্যাপক ৰূপ লৈছে। শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁট, কংগ্ৰেছকে ধৰি বিৰোধী আৰু অন্যান্য প্ৰাৰ্থীসকলে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাইছে। ইফালে, বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ কেন্দ্ৰীয় নেতৃত্ব তথা তাৰকা প্ৰচাৰকে শীঘ্ৰেই ৰাজ্যখনত নিজৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে।

বিজেপিৰ হৈ দলৰ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মন্ত্ৰী স্মৃতি ইৰাণী, দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, মন্ত্ৰী অৰ্জুন মুণ্ডাকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ৭ এপ্ৰিলত হোজাইত আৰু ৮ এপ্ৰিলত লখিমপুৰত আয়োজিত প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ১৭ এপ্ৰিল অৰ্থাৎ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণিৰ দিনলৈকে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰচাৰ চলাব।

ইপিনে, কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ দলৰ কেন্দ্ৰীয় নেতৃত্বই ৰাজ্যত প্ৰচাৰ চলোৱাৰ কথা। দলৰ নেতা ৰাহুল গান্ধীকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই প্ৰচাৰ অভিযানত অংশ ল'ব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। একেদৰে আম আদমী পাৰ্টীৰ তৃণমূল কংগ্ৰেছকে ধৰি অন্যান্য দলসমূহেও পৰৱৰ্তী সময়ত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিব।

ooooo

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট নিৰ্বাচনী জিলাত এবছেণ্টি ভোটদাতাসকলৰ বাবে গৃহ ভোটদানৰ ব্যৱস্থা কৰা হৈছে। যোৰহাট লোকসভা সমষ্টিত প্ৰথম পৰ্যায় অৰ্থাৎ ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ভোট গ্ৰহণৰ বাবে কাইলৈৰ পৰা ৫ এপ্ৰিললৈকে এবছেণ্টি ভোটদাতাসকলৰ গৃহ ভোটদান প্ৰক্ৰিয়া অব্যাহত থাকিব। উল্লেখযোগ্য যে ৮৫ বছৰৰ উৰ্ধৰ ভোটদাতা আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলক এবছেণ্টি ভোটদাতাৰ তালিকাত সন্নিৱিষ্ট কৰি ঘৰতে ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাৰ অধীনত যিসকল ব্যক্তিয়ে 12-D প্ৰ-পত্ৰ পূৰণ কৰিছে, তেওঁলোকে উল্লেখ কৰা ঠিকনাত প'লিং বিষয়াসকল উপস্থিত হৈ পোষ্টেল বেলটৰ জৰিয়তে ভোটদান সাব্যস্ত কৰা হ'ব। এই প্ৰক্ৰিয়াত প্ৰতিগৰাকী এবছেণ্টি ভোটদাতাৰ ঘৰলৈ এজন সূক্ষ্ম পৰ্যৱেক্ষক, দুগৰাকী প'লিং বিষয়া, এজন ভিডিঅ' গ্ৰাফাৰ আৰু দুগৰাকী আৰক্ষী যাব আৰু নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি ভোটদাতাগৰাকীয়ে ভোটদান সাব্যস্ত কৰিব পাৰিব। উল্লেখযোগ্য যে প্ৰতিগৰাকী এবছেণ্টি ভোটদাতাক

সুৰক্ষিতভাৱে নিজৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সুবিধা প্ৰদানৰ উদ্দেশ্যে ভাৰতৰ নিৰ্বাচন আয়োগে এই পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আয়োজন কৰা শ্ল’গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। এই ফলাফল অনুসৰি কটন বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী প্ৰাচুৰ্য্যা প্ৰেম গাৰ্গে তৃতীয় পুৰস্কাৰ লাভ কৰিছে।  তেওঁ এনেধৰণে আমালৈ শ্ল’গান পঠিয়াইছিল-

**ভইচ**

এই প্ৰতিযোগিতাত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী সুকন্যা শৰ্মাই দ্বিতীয় পুৰস্কাৰ লাভ কৰিছে। তেওঁ আকাশবাণীলৈ পঠিওৱা শ্ল’গানটো আছিল-

**ভইচ**

এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছে কটন বিশ্ববিদ্যালয়ৰ স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ হৃষীকেশ বড়োৱে হৃষীকেশে আকাশবাণীৰ এই প্ৰতিযোগিতালৈ এইদৰে শ্ল’গান বাণীবদ্ধ কৰি পঠিয়াইছিল-

**ভইচ**

উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া ভোটদাতাসকলক সজাগ কৰাৰ বাবে আয়োজিত এই প্ৰতিযোগিতা যুৱ ভোটদাতাসকলৰ বাবে মুকলি আছিল। ৰাজ্যৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলক পৰৱৰ্তী সময়ত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে পুৰস্কৃত কৰিব। প্ৰতিযোগীসকললৈ আঞ্চলিক বাতৰি বিভাগৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে তেওঁৰ তৃতীয়টো কাৰ্যকালত ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে গঢ় দিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা পুনৰ প্ৰকাশ কৰিছে।  নাইনিতাল উধমসিং নগৰ সংসদীয় সমষ্টিৰ ৰুদ্ৰপুৰত উত্তৰাখণ্ডত নিজৰ প্ৰথমখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে আজি এই সংকল্পৰ কথা দোহাৰে। শ্ৰীমোদীয়ে ভাষণ প্ৰসংগত ৰাজ্যখনৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰে। নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ বিৰোধিতা কৰাৰ বাবে কংগ্ৰেছ দলক তেওঁ তীব্ৰ সমালোচনা কৰে। শ্ৰীমোদীয়ে কংগ্ৰেছ দলে ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি অৱহেলা কৰা বুলি অভিযোগ কৰে। তেওঁ কয় যে, যদিহে বিজেপি পুনৰ ক্ষমতালৈ আহে তেন্তে দলটোৱে দুনীতি বিৰোধী প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিব।

বিজেপি প্ৰাৰ্থী তথা কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অজয় ভাটে এই আসনৰ পৰা নিৰ্বাচনী যুজত অৱতীৰ্ণ হৈছে। তেওঁৰ বিৰুদ্ধে কংগ্ৰেছে প্ৰকাশ যোশীক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। ৰাজ্যখনৰ ৫ টা সংসদীয় সমষ্টিৰ আটাইকেইটাৰ বাবে

প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। এইবাৰৰ নিৰ্বাচনত ৰাজ্যখনৰ ৮৩ লাখ ৩৭ হাজাৰ ৯১৪ গৰাকী ভোটাৰে ৫৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

০০০০০

ৰাজ্যৰ অনুমতিবিহীন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহে ২০২৪-২৫ শিক্ষাবৰ্ষৰ পৰা শিক্ষাৰ্থীসকলক উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰোৱাব নোৱাৰিব। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে এই সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। অনুমতিবিহীন শিক্ষানুষ্ঠানসমূহক নামভৰ্তি প্ৰক্ৰিয়াৰ পৰা বিৰত ৰাখিবলৈ দৰ্পণ পোৰ্টেলৰ পৰা আতৰোৱা হ'ব বুলি এই নিৰ্দেশনাত উল্লেখ কৰা হৈছে। অৱশ্যে যিসমূহ শিক্ষানুষ্ঠানে যাৱতীয় তথ্যৰ সৈতে অনুমতিৰ বাবে শিক্ষা সংসদত আবেদন কৰিছে, তেওঁলোকৰ তথ্যসমূহ পৰীক্ষণৰ অন্তত সঠিক বিবেচিত হ'লে নামভৰ্তিৰ বাবে অনুমতি প্ৰদান কৰাৰ সম্ভাৱনা আছে বুলি নিৰ্দেশনাটোত প্ৰকাশ কৰা হৈছে।

০০০০০

ৰাজ্যৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ এটা দলে আজি ধুবুৰী জিলাৰ গোলকগঞ্জৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰকৃষ্ণ ৰয় আৰু কাৰ্যালয়টোৰ জ্যেষ্ঠ সহকাৰী ডাপেন্দ্ৰ নাথ ব্ৰহ্মাক উৎকোচ গ্ৰহণৰ অভিযোগত আটক কৰে। অভিযোগ অনুসৰি বিষয়া-কৰ্মচাৰী দুজনে এগৰাকী কৰ্মচাৰীৰ সেৱা পুস্তিকাৰ কামৰ বাবে আঢ়ৈ হাজাৰ টকাৰ উৎকোচ গ্ৰহণ কৰিছিল। এই সংক্ৰান্তত অভিযুক্ত দুজনৰ বিৰুদ্ধে দুৰ্নীতি নিবাৰক আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে।

০০০০০

ধুবুৰী জিলাৰ নিৰ্বাচনী পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কাৰ্যসূচী চমুকৈ ছুইপৰ অধীনত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ধুবুৰী নিৰ্বাচন জিলাৰ শুভংকৰ, গান আৰু ছেল্ফী পইণ্ট উদ্বোধন কৰা হয়। অনুষ্ঠানত জিলাখনৰ অতিৰিক্ত আয়ুক্তসকল, নিৰ্বাচনী বিষয়া, ছুইপ কোষৰ সদস্যকে ধৰি সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ছুইপ কাৰ্যসূচীৰ অধীনত ভ্ৰাম্যমাণ বাহনৰ দ্বাৰা ই ভি এম, ভি ভি পেতৰ বিষয়ে প্ৰদৰ্শন কৰি ভোটদাতাৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে নিৰ্বাচন সংক্ৰান্তীয় শ্লোগান তথা তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰি ভোটদাতাসকলক ভোটদানৰ প্ৰতি উৎসাহিত কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। আনহাতে তিনিচুকীয়াতো জিলা আয়ুক্ত স্বপ্নীল পালে আজি তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ ছুইপ কোষৰ বিষয়ববীয়াসকলৰ সৈতে এখন পৰ্যালোচনা সভাত মিলিত হয়। সমাগত ৰঙালী বিহুৰ সময়ছোৱাত বিহু অনুষ্ঠানসমূহত ভোটাৰৰ মাজত বিশেষ সজাগতা অভিযান চলাবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

দৰং জিলাৰ পৰিবহণ বিভাগে যোৱা ৩১ মাৰ্চত সামৰণি পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ২৫ কোটি ৫২ লাখ টকাৰো অধিক ৰাজহ সংগ্ৰহ কৰে। বিভাগে জিলাখনত নিৰ্ধাৰিত লক্ষ্যতকৈ ৮৩ শতাংশ অধিক ৰাজহ সংগ্ৰহ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

মধ্য প্ৰদেশৰ গোৱালিয়ৰত অনুষ্ঠিত ৩২ সংখ্যক ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত ১০টা পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনা সাঁতোৰবিদসকলক আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিযোগিতাত তিনিটাকৈ স্বৰ্ণ পদক জয় কৰা গুৱাহাটীৰ পেৰা সাঁতোৰবিদ কৃষ্ণ দাসক প্ৰশংসা কৰি তেওঁৰ ক্ৰীড়া জীৱনৰ উন্নতি কামনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে আটাইকেইগৰাকী সাঁতোৰবিদক ভৱিষ্যৎ উন্নতিৰ বাবে শুভেচ্ছা জনায়। উল্লেখযোগ্য যে, কালি সামৰণি পৰা প্ৰতিযোগিতাখনত অসমে ৫ টা সোণ, ২ টা ৰূপ আৰু ৩ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

উল্লেখযোগ্য যে, এই প্ৰতিযোগিতাত অসমৰ এটা ১৬ জনীয়া সাঁতোৰবিদৰ দলে অংশগ্ৰহণ কৰিছিল।

০০০০০

ঃসমাপ্তঃ